# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 20-02-2025

**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

অসম বিধানসভাৰ বাজেট অধিৱেশনত আজি তৃতীয় দিনা ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই আলোচনাত অংশগ্ৰহণ কৰি কেইবাটাও গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে কোকৰাঝাৰত অনুষ্ঠিত অধিৱেশনে অখণ্ডিত অসমৰ বাৰ্তা দিছে। লগতে তেওঁ কয়, যে কোকৰাঝাৰত অনুষ্ঠিত বাজেট অধিৱেশনে সমাগত ৫০ বছৰলৈ অসমত বিভাজনৰ আন্দোলন নহয় বুলি প্ৰমাণ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি লাভ কৰা চৰাইদেউ মৈদামৰ প্ৰসংগও উল্লেখ কৰে। মুখ্যমন্ত্ৰী হিচাপে তেওঁৰ কাৰ্যকালত চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি লাভ কৰাটো অন্যতম সফলতা বুলি তেওঁ মন্তব্য কৰে। ধ্ৰুপদী ভাষাৰ স্বীকৃতিৰ জৰিয়তে অসমীয়া ভাষাক লৈ চলা দীৰ্ঘদিনীয়া যুঁজৰ অৱসান ঘটিল বুলিও তেওঁ প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বৰাক উপত্যকাৰ সৈতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ মানসিক দূৰত্ব ক্ৰমাৎ হ্ৰাস পাইছে। কাছাৰৰ জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি স্থাপনে বৰাক উপত্যকাৰ সৈতে থকা দূৰত্ব হ্ৰাস কৰিছে বুলি তেওঁ মন্তব্য কৰে। এডভাণ্টেজ আছামৰ জৰিয়তে অৰ্থনৈতিকভাৱে অসম উপকৃত হোৱা বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে বাৰাউনীৰ পৰা নুমলিগড় শোধনাগাৰলৈ ৯ মিলিয়ন খাৰুৱা তেল অহাটো এডভাণ্টেজ আছামৰ ফচল। অসমত প্ৰসূতিৰ মৃত্যুৰ হাৰ হ্ৰাস আৰু বাল্য বিবাহ ৰোধৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপে ইতিবাচক প্ৰভাৱ পেলাব বুলি তেওঁ মন্তব্য কৰে। বাল্য বিবাহ প্ৰতিৰোধৰ সুফল পৰৱৰ্তী ১০ বছৰত অসমে লাভ কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। ভাষণত তেওঁ লগতে কয়, যে ১০ মাৰ্চত দাখিল হ'বলগীয়া বাজেটত আত্মবিশ্বাসৰ প্ৰতিফলন ঘটিব।

ooooo

ৰাজ্যৰ স্বাস্থ্য  বিভাগে শীঘ্ৰে চিকিৎসালয়সমূহত স্থায়ী চিকিৎসক নিযুক্তিৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিব। স্বাস্থ্যমন্ত্ৰী অশোক সিংহালে  আজি অসম বিধানসভাৰ শূন্যকালত এটা প্ৰশ্নৰ উত্তৰত এই বিষয়ে প্ৰকাশ কৰে। তেঁও কয়, যে ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালসমূহকে ধৰি চিকিৎসালয়সমূহত প্ৰায় এহেজাৰ ছশ চিকিৎসকৰ পদ খালী হ'ব। এই পদসমূহ পূৰণ কৰিলে জনসাধাৰণে চিকিৎসালয়সমূহত পৰ্যাপ্ত চিকিৎসক লাভ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। কংগ্ৰেছৰ বিধায়ক ডাঃ আছিফ নাজাৰৰ নগাওঁৰ চিকিৎসালয়সমূহত পৰ্যাপ্ত ঔষধ আৰু সা-সুবিধা মজুত আছেনে নাই বুলি উত্থাপন কৰা এটা প্ৰশ্নৰ উত্তৰত শ্ৰীসিংহালে কয়, যে ৰাজ্যৰ প্ৰতিখন জিলা চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, আৰু আয়ুষ্মান আৰোগ্য মন্দিৰসমূহত পৰ্যাপ্ত পৰিমাণে ঔষধ মজুত কৰি ৰখাটো নিশ্চিত কৰা হৈছে। প্ৰতিখন জিলা চিকিৎসালয়ত ২৭২ বিধ, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰসমূহত ১২৫ বিধ আৰু আয়ুষ্মান আৰোগ্য মন্দিৰত ৩৩ বিধ ঔষধ মজুত ৰখাৰ বাবে স্বাস্থ্য বিভাগৰ

নিৰ্দেশনা আছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰায় প্ৰতিখন চিকিৎসালয়তে উল্লেখ কৰা পৰিমাণৰ ঔষধ মজুত ৰখাৰ চেষ্টা কৰা হৈছে।

০০০০০

ৰাজ্য চৰকাৰে ২০২৫-২৬ বৰ্ষত ২৫০ খন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰিব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি বিধানসভাত এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে উচ্চ প্ৰাথমিক বিদ্যালয়সমূহকো এই শৈক্ষিক বৰ্ষতে উচ্চ মাধ্যমিক পৰ্যায়লৈ উন্নীত কৰাৰ পৰিকল্পনা কৰা হৈছে আৰু ইয়াৰ বাবে প্ৰায় দুহেজাৰ কোটি টকাৰ প্ৰস্তাৱ দিয়া হৈছে। ডাঃ পেগুৱে চৰ অঞ্চল হিচাপে কোনো অঞ্চল নাই বুলি উল্লেখ কৰি কয়, যে খহনীয়া নোহোৱা স্থায়ী নৈপৰীয়া অঞ্চলসমূহত বিদ্যালয়-মহাবিদ্যালয় স্থাপন কৰা হ'ব। শিক্ষামন্ত্ৰীগৰাকীৰ এই মন্তব্যৰ বিৰোধিতা কৰি বিৰোধী পক্ষৰ সদস্যসকলে চৰ অঞ্চল নথকা সত্তেও কিয় চৰ অঞ্চল উন্নয়ন পৰিষদ গঠন কৰা হৈছিল বুলি প্ৰশ্ন উত্থাপন কৰে। শিক্ষকবিহীন বিদ্যালয় আৰু এজনীয়া শিক্ষকৰ বিদ্যালয়ৰ সন্দৰ্ভত ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে সোধা এটা প্ৰশ্নৰ উত্তৰত ডাঃ পেগুৱে কয়, যে ৰাজ্যত বৰ্তমান ৩ খন শিক্ষকবিহীন বিদ্যালয় আৰু দুহেজাৰ ২৯৫ খন এজনীয়া শিক্ষকৰ বিদ্যালয় আছে। বিধায়ক গগৈয়ে শিক্ষা ব্যৱস্থাৰ উন্নয়নত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ব্যৰ্থ হৈছে বুলি উল্লেখ কৰি ৰাজ্যখনৰ ৭ হাজাৰৰো অধিক বিদ্যালয়ত এতিয়াও স্থায়ী শিক্ষক নাই বুলিও অভিযোগ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণ আৰু ঝুমইৰ বিনন্দিনী অনুষ্ঠানত অংশগ্ৰহণৰ বাবে অহা ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীত উপস্থিত হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত অনুষ্ঠিত সংবাদমেলত এইকথা প্ৰকাশ কৰি কয়, যে প্ৰধানমন্ত্ৰীগৰাকীয়ে ২৫ ফেব্ৰুৱাৰীত বিনিয়োগ সন্মিলনখন উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে ২৪ ফেব্ৰুৱাৰীত সৰুসজাই ষ্টেডিয়ামত হ'বলগীয়া ঝুমইৰ বিনন্দিনী অনুষ্ঠানত ঝুমুৰ নৃত্য উপভোগ কৰাৰ পাছত সেইদিনাই তেওঁ দুখন জনগোষ্ঠীয় প্ৰদৰ্শনীত উপস্থিত থাকিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। সংবাদমেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে কাইলৈৰ পৰা তিনিদিনৰ বাবে সৰুসজাইত ঝুমুৰৰ আখৰা অনুষ্ঠিত হ'ব। আখৰাৰ বাবে ইতিমধ্যে বিভিন্ন জিলাৰ পৰা অহা শিল্পীৰ দল গুৱাহাটীত উপস্থিত হৈছে। ২৩ ফেব্ৰুৱাৰীৰ সন্ধিয়া ঝুমুৰৰ অন্তিম আখৰা অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই জানিবলৈ দিয়ে। বৈদেশিক পৰিক্ৰমা এছ জয়শংকৰৰ নেতৃত্বত ৫১ খন দেশৰ ৰাষ্ট্ৰদূত কাজিৰঙালৈ আহিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে ২৩ ফেব্ৰুৱাৰীত পৰিয়ালসহ ৰাষ্ট্ৰদূতসকলে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰাৰ লগতে ২৪ ফেব্ৰুৱাৰীত ঝুমইৰ বিনন্দিনী অনুষ্ঠানত উপস্থিত থাকিব। ৰাষ্ট্ৰদূতসকলে এডভাণ্টেজ আছামৰ কাৰ্যসূচীতো অংশগ্ৰহণ কৰিব। অষ্ট্ৰেলিয়াৰ পৰ্যটকসকল অহাৰ ক্ষেত্ৰত যি বাধা আছিল সেয়া আঁতৰিল বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই সংবাদমেলযোগে জানিবলৈ দিয়ে। অষ্ট্ৰেলিয়াৰ পৰ্যটকসকলক তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ জিলাত যাবলৈ অনুমতি দিয়া নাই যদিও বাকী ৰাজ্যখনৰ যিকোনো স্থানত যাবলৈ অনুমতি দিয়া হৈছে। উল্লেখযোগ্য যে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অসমৰ দুগৰাকী উদ্যোগপতি ভাষণ দিয়াৰ সুযোগ লাভ কৰিছে। অসমৰ উদ্যোগপতি অভিজিৎ বৰুৱা আৰু অনুপম ডেকাই বিনিয়োগ সন্মিলনত নিজৰ বক্তব্য দাঙি ধৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

গুৱাহাটীৰ সৰুসজাইত অহা ২৪ ফেব্রুৱাৰীত হ'বলগীয়া ঝুমইৰ বিনন্দিনী কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে চৰাইদেউ জিলাৰ পৰা শিল্পীৰ দল ৰাওনা হৈছে। আজি পুৱা মৰাণ মহাবিদ্যালয় আৰু সোণাৰি ৰাজহুৱা খেলপথাৰৰ পৰা শিল্পীৰ দলটো বাছযোগে গুৱাহাটীলৈ ৰাওনা হয়। এই উপলক্ষে জিলা আয়ুক্ত ডাঃ নেহা যাদৱে অংশগ্ৰহণকাৰীসকলক উদ্দেশ্যে শুভেচ্ছামূলক বক্তব্য ৰাখে। ৰাজ্যৰ আন আন জিলাৰ লগতে যোৰহাট আৰু বিশ্বনাথৰ পৰাও ঝুমুৰ নৃত্যশিল্পীৰ দল গুৱাহাটীলৈ ৰাওনা হৈছে। যোৰহাট জিলাৰ পৰা মুঠ ৮২৫ গৰাকী নৃত্যশিল্পী ঝুমইৰ বিনন্দিনী কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। চ্যুকাফা সমন্বয় ক্ষেত্ৰৰ পৰা বাছযোগে অহা যোৰহাটৰ দলটো গুৱাহাটীলৈ ৰাওনা উপস্থিত হৈছে। আজি পুৱা যোৰহাট জিলা আয়ুক্ত জয় শিৱানীয়ে ফ্লেগ অফ কৰি নৃত্যশিল্পীসকলক শুভেচ্ছা জ্ঞাপন কৰে। লখিমপুৰ জিলাৰ পৰা মুঠ ১৩১ গৰাকী নৃত্যশিল্পী নাৰায়ণপুৰৰ পৰা গুৱাহাটীলৈ ৰাওনা হৈছে।

০০০০০

সমাপ্ত